**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা। বিজেপিৰ চূড়ান্ত প্ৰাৰ্থী তালিকাত ৰাষ্ট্ৰীয় কমিটীৰ মোহৰ।

২। নিৰ্বাচন আয়োগৰ কেন্দ্ৰীয় পৰ্যবেক্ষকৰ সৈতে নডেল বিষয়া আৰু দলীয় সদস্যৰ জিলা পৰ্যায়ত মত বিনিময়।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম আৰক্ষীৰ মাদকদ্ৰব্য বিৰোধী অভিযান। নিচাযুক্ত দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ।

৪। মধ্য প্ৰাচ্যৰ অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত দেশত ৩ মাহৰ বাবে অপৰিশোধিত তেল মজুত ৰাখিবলৈ সংসদৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিভাগৰ স্থায়ী সমিতিৰ পৰামৰ্শ। *আৰু*

৫। অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ আয়ুষ চেট্টীৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী বাছনি, প্ৰচাৰ, মনোনয়ন সংগ্ৰহ তথা দাখিলকে ধৰি বিভিন্ন তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰ লগতে কেইবাগৰাকীও প্ৰাৰ্থীয়ে অন্য ৰাজনৈতিক দলত আনুষ্ঠানিকভাৱে যোগ দিছে। শাসনাধিষ্ঠিত বিজেপিয়ে আজি পুৱাৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ঘোষণা কৰিছে। ৰাজ্যিক বিজেপিৰ জ্যেষ্ঠ নেতা ড° শৰ্মাৰ উপস্থিতিত কালি নিশা দলটোৰ সংসদীয় পৰিষদৰ বৈঠকত দলৰ ৮৯ গৰাকী প্ৰাৰ্থীৰ নাম কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি কালি নিশা চূড়ান্ত কৰা হৈছে বুলি জানিব পৰা গৈছে। নতুনকৈ দলটোত যোগদান কৰা জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত চূড়ান্ত প্ৰাৰ্থী তালিকাত যথেষ্ট সাল-সলনি কৰা হৈছে বুলিও জানিব পৰা গৈছে। বিধানসভা নিৰ্বাচনত ৰাজ্যৰ ১২৬ টা সমষ্টিৰ ভিতৰত বিজেপিয়ে ৮৯ টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি বাকী ৩৭টা সমষ্টি মিত্ৰদলসমূহলৈ এৰি দিব বুলি জ্যেষ্ঠ নেতা ড° শৰ্মাই কালি নতুন দিল্লীত সাংবাদিকৰ আগত মন্তব্য কৰে। নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত তেওঁ এইদৰে কয় –

বাইট

কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি আনুষ্ঠানিকভাৱে বিজেপিত যোগ দিয়ে। ইপিনে, বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন সংগ্ৰহ কৰাৰ লগতে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে। বৰপেটা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভিতৰত মন্দিয়া সমষ্টিৰ বাবে কালি প্ৰথমখন মনোনয়ন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে দাখিল কৰে।

দলীয় কৰ্মকৰ্তাসকলৰ সৈতে এলানি বৈঠকৰ পাছত বি পি এফৰ প্ৰাৰ্থী তালিকা আজি সন্ধিয়াৰ ভিতৰত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে বুলি দলটোৰ জ্যেষ্ঠ নেতা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে জানিবলৈ দিছে।

বাইট

চিৰাং জিলাৰ বিজনীত কালি অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ইউ পি পি এল আৰু বিজেপিৰ কেইবাজনো জ্যেষ্ঠ নেতাৰ লগতে ভালেসংখ্যক দলীয় কৰ্মীয়ে বি পি এফত যোগদান কৰে। ইউ পি পি এলৰ বিজনী

জিলা গোটৰ উপ-সভাপতি শংকৰ বৰ্মন, কোচ-ৰাজবংশী কোষৰ উপ-সভাপতি অমৃত ৰায়, বিজেপিৰ জনজাতি মৰ্চাৰ উপ-সভাপতি ধৰণী বড়োকে ধৰি মুঠ ৮০ গৰাকী সদস্যই কালি দলটোত যোগদান কৰে।

ইফালে, চাৰিগৰাকী প্ৰাৰ্থীৰে ইউ পি পি এলৰ দ্বিতীয়খন তালিকা কালি প্ৰকাশ পাইছে। বাক্সা, গহপুৰ, বৰছলা আৰু বকো-ছয়গাঁও সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হৈছে।

০০০০০০

নিৰ্বাচন আয়োগে ৰাজ্যখনত বিধানসভা নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষক কালি সংশ্লিষ্ট জিলাসমূহত উপস্থিত হৈ জিলাৰ ন'ডেল বিষয়া আৰু বিভিন্ন দলৰ সদস্যৰ সৈতে মত বিনিময় কৰে। **ধুবুৰী** জিলাত ৫টা সমষ্টিৰ বাবে কালি দুগৰাকী ব্যয় পৰ্যবেক্ষক জিলাখনত উপস্থিত হয়। গৌৰীপুৰ, বীৰছিং জৰুৱা আৰু বিলাসীপাৰা সমষ্টিৰ বাবে প্ৰকাশ চৌধুৰী তথা গোলকগঞ্জ আৰু ধুবুৰীৰ পৰ্যবেক্ষক ভামচি কৃষ্ণা ৰেড্ডীয়ে কালি নিৰ্বাচনৰ প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ যাৱতীয় ব্যয় সম্পৰ্কীয় বিষয়সমূহ পৰীক্ষা কৰে। তেওঁলোকে বিভিন্ন কোষৰ ন'ডেল বিষয়া আৰু ৰাজনৈতিক দলৰ সদস্যৰ সৈতে মত বিনিময় কৰে। **কোকৰাঝাৰ** জিলাৰ ৪টা সমষ্টিৰ বাবে নিয়োগ কৰা পৰ্যবেক্ষকসকলে জনসাধাৰণ, ৰাজনৈতিক দলৰ সদস্য আৰু প্ৰাৰ্থীৰ সৈতে সপ্তাহৰ কৰ্মদিন সমূহত পুৱা ৯ বজাৰ পৰা ১০ বজালৈ মত বিনিময় কৰিব বুলি প্ৰকাশ কৰিছে। **গোৱালপাৰা** জিলাত ভাৰতীয় ৰাজহ সেৱা বিষয়া জয় প্ৰকাশ ভামুকক ব্যয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা হৈছে। তেওঁ কালি জিলা প্ৰশাসন আৰু ব্যয় নিৰীক্ষণ দলৰ সৈতে বৈঠকত মিলিত হৈ কেইবাটাও বিষয় সম্পৰ্কে আলোচনা কৰে। একেদৰে **মৰিগাঁও** জিলাত ব্যয় বৰ্যবেক্ষক হিচাপে নিয়োজিত আৰ এল অৰুণ প্ৰসাদে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ সৈতে বৈঠকত মিলিত হয়। **তামুলপুৰ** জিলাতো সাধাৰণ পৰ্যবেক্ষক, মুল্লাই মুহীলান আৰু আৰক্ষী পৰ্যবেক্ষক কাৰ্ত্তিকেয়ই কালি জিলাখনত উপস্থিত হৈ গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰে। **বিশ্বনাথতো** নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক অমিত সিং বাঞ্চালে কালি জিলাখনত নিৰ্বাচনী কাম-কাজ কৰে।

**বজালী** জিলাৰ দুটা সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া এছ্ গণেশ কালি জিলাখনত উপস্থিত হয়। সমষ্টি দুটাৰ বাবে ব্যয় পৰ্যবেক্ষকৰূপে নিয়োগ কৰা ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া ধীৰেন্দ্ৰ কুমাৰো কালি বজালীত উপস্থিত হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰশাসনে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। **কামৰূপ** জিলাৰ পলাশবাৰী আৰু বকো-ছয়গাঁও সমষ্টিৰ অসম-মেঘালয় সীমান্তত অৱস্থিত, স্পৰ্শকাতৰ হিচাপে চিহ্নিত ১৫টা ভোটকেন্দ্ৰত নিয়াৰিকৈ ভোটগ্ৰহণৰ বাবে প্ৰশাসনে বিহিত ব্যৱস্থা লৈছে। জিলাখনৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কালি অসম-মেঘালয় সীমান্তৰ পশ্চিম খাচী পাহাৰ জিলাৰ আয়ুক্ত মেহা নায়কৰ সৈতে বৈঠকত মিলিত হৈ নিৰ্বাচনৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে এইদৰে কয়—

**বাইট (দেৱ কুমাৰ মিশ্ৰ)**

**ধুবুৰী** জিলা প্ৰশাসনেও নিৰ্বাচনৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। জিলাখনৰ ৫টা সমষ্টিত ১২ লাখ ২০ হাজাৰ ৩৮৪ গৰাকী ভোটদাতা আছে। জিলাখনৰ ভোট কেন্দ্ৰসমূহত সকলো ব্যৱস্থা নিয়াৰিকৈ কৰাৰ বাবে প্ৰশাসনে পদক্ষেপ লৈছে।

**যোৰহাট** জিলাত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকা সময়ছোৱাত ধনৰ অবৈধ লেনদেন, সুৰাৰ প্ৰচলন ৰোধ কৰাকে ধৰি কেইবাটাও কাৰ্যকৰী ব্যৱস্থা প্ৰশাসনে গ্ৰহণ কৰিছে। যোৰহাট নিৰ্বাচনী জিলাৰ ৪টা বিধানসভা সমষ্টি– টীয়ক, মৰিয়নি, তিতাবৰ আৰু যোৰহাটত স্থায়ী নিৰীক্ষণকাৰী দল আৰু ফ্লায়িং স্কোৱাডে ২৪ ঘণ্টাই তালাচী অব্যাহত ৰাখিছে। **শিৱসাগৰ** জিলাত জনসাধাৰণৰ শান্তি শৃংখলা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশে

ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনসুৰি অনুমতিবিহীনভাৱে আৰু আইন বিৰোধী উদ্দেশ্যৰে অনুষ্ঠানত ৫ জন বা ততোধিক ব্যক্তিৰ সমাৱেশ নিষিদ্ধ কৰা হৈছে। যিকোনো ব্যক্তি, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কাৰ্যালয়ৰ পৰা বলপূৰ্বকভাৱে বৰঙণি সংগ্ৰহ নাইবা ভাবুকি প্ৰদানতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইয়াৰ উপৰি অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ, ৰাজহুৱা সম্পত্তি ধ্বংস কৰা তথা ভাৰতীয় পুৰাতত্ব জৰীপ আৰু অসম চৰকাৰৰ প্ৰত্নতত্ব সঞ্চালকালয়ৰ কীৰ্তিচিহ্নসমূহত ২০০ মিটাৰ পৰিধিৰ ভিতৰত কোনো অকৰ্তৃশীল ব্যক্তি বা সংগঠনৰ প্ৰতিনিধিৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ নম্বৰ ধাৰাৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম আৰক্ষীয়ে কেইবাজনো নিচাযুক্ত দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৰ বান্দৰদেৱা আৰু হাৰমতিত দীৰ্ঘদিনৰ পৰা নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় কৰি অহা এটা অসাধু চক্ৰৰ খবৰৰ পম খেদি অসম আৰক্ষীয়ে কালি নিশা অভিযান চলাই এজন সৰবৰাহকাৰীৰ ঘৰৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰাৰ লগতে দুজন লোকক গ্ৰেপ্তাৰ কৰে।

শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ হালোৱাটিঙতো অসম আৰক্ষীৰ এটা দলে কালি বুজন পৰিমাণৰ মাদক দ্ৰব্যৰ সৈতে এজন যুৱকক গ্ৰেপ্তাৰ কৰে। মৰিয়নিৰ পৰা চেলেংহাট হৈ হালোৱাটিঙৰ দিশত মাদক দ্ৰব্যৰ সৈতে আহি থকা যুৱকজনৰ পৰা এখন দুচকীয়া বাহন জব্দ কৰা হৈছে।

মাৰ্ঘেৰিটাতো লিডু আৰক্ষীয়ে অভিযান চলাই বৰগোলাইৰ বাঁহবাৰীত ৩১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত এজন যুৱকক বুজন পৰিমাণৰ মাদকদ্ৰব্যৰ সৈতে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে যুৱকজনৰ পৰা ছটা নিচাযুক্ত দ্ৰব্যভৰ্তি টেমা, দুটা ম'বাইল ফোন, নগদ ধন আৰু এখন বাহনৰ লগতে এটা ৱেব প'ৰ্টেলৰ সাংবাদিকৰ পৰিচয় পত্ৰ আৰু ল'গ' জব্দ কৰে। পৰিচয় পত্ৰৰ সত্যতা সন্দেহজনক হোৱাত অভিযুক্তজনে সাংবাদিক হিচাপে ভুৱা পৰিচয় দি আহিছিল বুলি আৰক্ষীয়ে সংশয় প্ৰকাশ কৰিছে।

০০০০০০

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত ইন্ধনৰ জোৰা মৰাৰ বাবে ৩ মাহৰ বাবে অপৰিশোধিত তেল মজুত কৰি ৰাখিবলৈ সংসদৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিভাগৰ স্থায়ী সমিতিয়ে পৰামৰ্শ দিছে। কঠিন পৰিস্থিতিত ইন্ধনৰ ঘাটিৰ বাবে যাতে দেশৰ অগ্ৰগতিত বাধাৰ সৃষ্টি হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সমিতিখনে এই পৰামৰ্শ দিছে। কেন্দ্ৰীয় চৰকাৰক এইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও সমিতিয়ে পৰামৰ্শ দিছে। তদুপৰি গ্ৰামাঞ্চলৰ বাসিন্দা আৰু নিম্ন আয়ৰ লোকসকলৰ বাবে ৰন্ধন গেছ সহজলভ্য কৰাৰ ব্যৱস্থা ল'বলৈও সমিতিয়ে পৰামৰ্শ দিছে। উল্লেখযোগ্য যে মধ্য প্ৰাচ্যৰ পৰিস্থিতিৰ ফলত হৰমুজ প্ৰণালী বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ বিভিন্ন প্ৰান্তত ইন্ধনক লৈ আশংকাৰ সৃষ্টি হৈছে যদিও কেন্দ্ৰীয় চৰকাৰে দেশত পৰ্যাপ্ত ইন্ধন মজুত আছে বুলি প্ৰকাশ কৰিছে। শেহতীয়াকৈ হৰমুজ প্ৰণালী পাৰ হৈ দুখন জাহাজত ৯০ হাজাৰ মেট্ৰিক টনৰো অধিক ৰন্ধন গেছ ভাৰতলৈ আহিছে। কোনো পৰিস্থিতিতে যাতে দেশত ইন্ধনক লৈ সংকটৰ সৃষ্টি নহয় তাৰ বাবে সংসদীয় সমিতিখনে এই পৰামৰ্শ জাৰি কৰিছে।

ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে ৰন্ধন গেছৰ যোগান নিশ্চিত কৰাৰ লগতে জনসাধাৰণৰ মাজত বিভ্ৰান্তি দূৰ কৰিবলৈ ব্যৱস্থা লৈছে। যোৰহাট জিলাত ৰন্ধন গেছৰ নাটনি সন্দৰ্ভত কেতবোৰ ভুল তথ্য বিয়পি পৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত কালি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত বৈঠকত জিলাখনৰ অন্তৰ্গত গেছ এজেন্সীৰ বিষয়ববীয়াসকলৰ সৈতে আয়ুক্তগৰাকীয়ে ঘৰুৱা আৰু বাণিজ্যিক গেছৰ উপলব্ধতাৰ সন্দৰ্ভত আলোচনা কৰে। গেছৰ যোগানক লৈ যাতে সাধাৰণ জনতা উদ্বিগ্ন নহয় তাৰ বাবে জিলা

আয়ুক্তগৰাকীয়ে গেছ্ এজেন্সীৰ বিষয়ববীয়াসকলক হোৱাটএছ্ গ্ৰুপ খুলি গ্ৰাহকসকলক বিষয়টো অৱগত কৰাবলৈ আহ্বান জনায়।

নগাঁও জিলা প্ৰশাসনেও ৰন্ধন গেছ্ৰ যোগান ব্যৱস্থাৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে। জিলাখনত অগ্ৰাধিকাৰ খণ্ডসমূহলৈ গেছ্ৰ অবিৰত যোগান নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে জনসাধাৰণৰ অভিযোগ থাকিলে ফোনযোগে দাখিল কৰিবলৈ এটা টোল ফ্ৰি নম্বৰ মুকলি কৰি দিয়া হৈছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে ৰন্ধন গেছ্ৰ অবৈধ ব্যৱহাৰ আৰু মজুতকৰণৰ বিৰুদ্ধে অভিযান অব্যাহত আছে।

০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন আদালতত শুনানি অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাৰ পৰা প্ৰাপ্ত তথ্য অনুযায়ী অভিযুক্তৰ ওপৰত প্ৰযোজ্য হ'বলগীয়া গোচৰৰ ধাৰা বিষয়ত আজিৰেপৰা শুনানি গ্ৰহণ কৰা হ'ব। এই অনুযায়ী আজি বিশেষ লোক অধিবক্তাৰ দলে অভিযুক্তসকলৰ ওপৰত আৰোপ কৰা গোচৰৰ বিভিন্ন ধাৰাৰ যুক্তিযুক্ততা সন্দৰ্ভত যুক্তি প্ৰদৰ্শন কৰিব।

০০০০০০

অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ এখন খেলত ভাৰতৰ আয়ুষ চেট্টীয়ে কিৰণ জৰ্জক ১৭-২১, ২১-১০, ২১-১৭ গেমত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত মালবিকা বান্সোৰ, আনমোল খাৰ্ব, ঈষাৰাণী বৰুৱা আৰু তন্বী শৰ্মাইও প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে পুৰুষৰ ডাবলছত ভাৰতৰ অৰ্জুন মাডাথিল ৰামচন্দ্ৰন  আৰু হৰিহৰণ আমছাকৰুণান যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি সন্ধিয়া হ'বলগীয়া পুৰুষৰ ছিংগলছৰ এখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আয়ুষ চেট্টী জাপানৰ ৰাই অকিম'ট'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহ নিৰ্বাচনী তৎপৰতা, ৰাজ্যৰ ভিন্ন প্ৰান্তত ধুমুহাৰ ফলত বিস্তৰ ক্ষতি, মধ্য প্ৰাচ্যৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত দেশত ৰন্ধন গেছ্ৰ পৰিস্থিতি উদ্বেগজনক আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত মুখ্য বাতৰিৰূপে প্ৰকাশ পাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত কালি নতুন দিল্লীত বিজেপিৰ সংসদীয় ব'ৰ্ডৰ গুৰুত্বপূৰ্ণ বৈঠকত ৮৯ জনীয়া প্ৰাৰ্থী তালিকাত অনুমোদন জনোৱাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰাৰ **বাতৰি দৈনিক অসম, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন**ৰ লগতে আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মধ্যপ্ৰাচ্যৰ যুদ্ধৰ প্ৰভাৱত দেশত ঔষধৰ দাম ২০ৰ পৰা ২৫ শতাংশ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি **দৈনিক জনমভূমি** কাকতে বাতৰি প্ৰকাশ কৰিছে।

সমাগত বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে অসমসহ ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত ২৫ লাখৰো অধিক কৰ্মচাৰীক নিয়োগ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

যোৱা কিছুদিন ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত অব্যাহত থকা প্ৰবল ধুমুহা-বৰষুণৰ ফলত ঠায়ে ঠায়ে বিস্তৰ ক্ষতি হোৱাৰ লগতে বিভিন্ন স্থানত ৭ জন লোকৰ মৃত্যু হোৱাৰ বাতৰিটো **আমাৰ অসম** আৰু **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিৰ্বাচনৰ বাবে কোনো প্ৰাৰ্থীয়ে ৪০ লাখতকৈও অধিক টকা ব্যয় কৰিব নোৱাৰিব বুলি নিৰ্বাচন আয়োগে ঘোষণা কৰিছে। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতৰ লগতে আন কাকতসমূহেও প্ৰকাশ কৰিছে।

ইৰানৰ বিচক্ষণ কূটনীতিকক হত্যা কৰি যুদ্ধৰ সমাপ্তি নিবিচৰাৰ ইংগিত দিলে ইজৰাইলে- এই শীৰ্ষক এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে ৫, ৬, ৭ আৰু ১২ মে'ত ধাৰাবাহিক শুনানি গ্ৰহণ কৰিব। এই আইনৰ বিৰোধিতা কৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে আবেদন দাখিল কৰিছিল। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কালি এই সন্দৰ্ভত কয়, যে এই আইনৰ বিৰুদ্ধে সংগঠনটোৱে আইনগত আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে সংগ্ৰাম অব্যাহত ৰাখিছে। উচ্চতম ন্যায়ালয়ে সমগ্ৰ ভাৰতৰ বাবে সুকীয়াকৈ আৰু অসম আৰু ত্ৰিপুৰাৰ বাবে সুকীয়াকৈ শুনানি গ্ৰহণ কৰিব বুলি ড° ভট্টাচাৰ্যই উল্লেখ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত ছিকিমৰ বাদে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যত পাতলীয়াৰ পৰা মজলীয়া বৰষুণৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**